# অলংকাৰৰ সংজ্ঞা আৰু কাব্যত ইয়াৰ প্ৰয়োজনীয়তা

সাধাৰণ অৰ্থত অলংকাৰ হৈছে, মানৱ দেহৰ ভূষণ । অলংকাৰে দেহৰ সৌন্দৰ্য বৃদ্ধি কৰে । বিচিত্ৰ কাৰুকাৰ্য খচিত পৰিমাৰ্জ্জিত অলংকাৰে নাৰী দেহৰ সৌন্দৰ্য-সুষমাক মনোৰমা, মনোহৰা কৰি তোলে। কিন্তু, অপৰিমিত অলংকাৰে শোভা-বৰ্ধন কৰাতকৈ সৌন্দৰ্যক ম্লানহে কৰে। সাহিত্যৰ ক্ষেত্ৰতো সেই একে কথাই প্ৰযোজ্য হয় । সাহিত্যিক লালিত্যপূৰ্ণ আৰু ব্যঞ্জনাময় কৰি তুলিবৰ বাবে অলংকাৰৰ বিশেষ প্ৰয়োজন আছে । উদাহৰণ স্বৰূপে, এগৰাকী উকা ডিঙিৰ এগৰাকী নাৰীৰ দেহ-কান্তি যিমানেই লাৱণ্যময়ী নহওঁক কিয় (?), তথাপি ভাৱ হয় যেন কিবা নাই নাই । ইয়াৰ মূলতে হ'ল, সাহিত্যকো সজাই পৰাই তুলিব নোৱাৰিলে, তাৰ সৌষ্ঠৱ বৃদ্ধি নহয় । গতিকে, সাহিত্যত বিশেষকৈ কাব্যত অলংকাৰৰ অতিশয় প্ৰয়োজন আছে। অলংকাৰে কাব্যক বিচিত্ৰ মাধুৰ্য দান কৰি আৱেগময় আৰু মনোগ্ৰাহী কৰি তোলে। কাব্যৰ ৰচনাৰ দিশত অলংকাৰক ৰচনা-কৌশলৰ এক বিচিত্ৰ সংযোজন বুলি ক'ব পাৰি।

মানুহৰ মনৰ ভাব প্ৰকাশৰ নিচিনা জটিল কাম আৰু নাই । ভাবৰ সকলো উঠা-নমা, তীব্ৰতা আৰু দৃঢ়তা আধিক্য বা ন্যূনত্য প্ৰকাশ কৰিবৰ অৰ্থে পোনপটীয়া ভাষা এটাৰ অপূৰ্ণ মাধ্যম। ভাষাৰ এই অক্ষমতা দূৰ কৰিবৰ কাৰণে মানুহে পোনপটীয়া ভাষাত পাক লগাই বা ৰহণ সানি তাক সবল আৰু সক্ষম কৰিবলৈ চেষ্টা কৰে । এনেক্ষত্ৰত অলংকাৰৰ গুৰুত্ব অপৰিসীম । অলংকাৰৰ দিশত অধ্যয়নৰ পৰিসৰ যথেষ্ট ব্যাপক বুলি ক'ব লাগিব। অলংকাৰৰ শব্দালংকাৰ আৰু অৰ্থালংকাৰ – এই দুয়োটা শাখাতে সাহিত্যৰ সৌন্দৰ্যতা বোৰ অন্তৰ্নিহিত হৈ আছে বুলি কলেও ভুল কোৱা নহ'ব। কাব্যত অলংকাৰৰ কোন কোন দিশত প্ৰয়োগ হয়; তাৰে কিছুকথা চমুকৈ উপস্থাপন কৰিবলৈ বিচৰা হৈছে । কবিৰ উক্তি বৈচিত্ৰ্যই উক্তি পৰ্য্যাপ্তি বা ইষ্ট আৰু উক্তি পাৰ্য্যাপ্তিৰ সৌন্দৰ্যই বাক্যৰ অলংকাৰ ।

অলংকাৰ শাস্ত্ৰৰ প্ৰথমাচাৰ্য ভামহে এই কথাৰ স্পষ্ট সংকেত দিছে – '<u>বক্ৰোভিধেয়া শব্দোক্তিৰিষ্টা বাচামলংকৃতিঃ' ।</u> যাৰ অৰ্থ হৈছে – কবিৰ অভীষ্ট সিদ্ধিৰ জোখাই বক্ৰতা পূৰ্ণ উক্তিবৈচিত্ৰ্যই বাক্যৰ সৌন্দৰ্য বা অলংকাৰ ।
আচাৰ্য দণ্ডীয়ে সৰহীয়া কথালৈ নগৈ সৌন্দৰ্যৰ কাৰণ কাব্যৰ শোভাকৰ ধৰ্মকে অলংকাৰ বুলি থোৰতে সামৰি থৈছে – <u>"কাব্য শোভাকৰান ধৰ্মালংকাৰান প্ৰচক্ষতে"</u>। কবিতাৰ শব্দ আৰু অৰ্থৰূপে শৰীৰৰ সৌন্দৰ্য বৃদ্ধি কৰে কাৰণে উপমা-অনুপ্ৰাস আদি উক্তি বৈচিত্ৰ্যক অলংকাৰ বুলি কোৱা হয় ।আচাৰ্য দণ্ডীয়ে অলংকাৰ শব্দৰ কাৰণ-বুৎপত্তিৰ ওপৰতে বেছিকৈ ভৰ দি অলংকাৰৰ লক্ষণ নিৰূপণ কৰিছে ।

উক্ত কথাকেইটাৰ ওপৰত ভিত্তি কৰি অলংকাৰৰ সংজ্ঞা এইদৰে দিব পাৰি : <u>"সাহিত্যক লালিত্যপূৰ্ণ আৰু ব্যঞ্জনাময় কৰি তুলিবৰ কাৰণে বৈচিত্ৰপূৰ্ণ শব্দ-সম্ভাৰ প্ৰয়োগ কৰাৰ যি চমৎকাৰিত্বপূৰ্ণ কৌশল, তাকেই অলংকাৰ বুলি কোৱা হয় "।</u>

অলংকাৰৰ প্ৰয়োজনীয়তা : অলংকাৰৰ প্ৰয়োজনীতাৰ দিশত চকু ফুৰালে ঘাইকৈ তিনিটা প্ৰধান প্ৰয়োজনৰ কথা ক'ব পাৰি । সেইকেইটা যথাক্ৰমে – ক) প্ৰভাৱশালীতা
খ)স্পষ্টীকৰণ
আৰু গ) ৰমণীয়তা সম্পাদন

তলত এই তিনিওটাৰে প্ৰয়োজনৰ বিষয়ে এক চমু বৰ্ণনা দিয়া হ'ল –

<u>ক) প্ৰভাৱশালীতা</u> : – শুনোতাৰ মনত লাগি যোৱাকৈ নাইবা মনত দকৈ বহাকৈ কোৱা বাক্যকে প্ৰভাৱশালী কৰা বুজায়। ৰূপ, গুণ, ক্ৰিয়া আদি যিহকেই বৰ্ণনা নকৰক কিয়, তাক দৃঢ় বা তীব্ৰভাৱে ফুটাই তুলিবলৈ হ'লে, উকাকৈ নকৈ অলংকাৰ লগাই কথা ক'ব লগা হয় । ধুনীয়া মুখ বুলিলেই মুখখন যে দেখিবলৈ ভাল এই কথা আমি নুবুজাকৈ নাথাকোঁ । কিন্তু, পূৰ্ণিমাৰ জোন যেন মুখ বুলিলে মনত আহ্লাদ জন্মাব পৰা মুখৰ সৌন্দৰ্যৰ কথা মনলৈ আনি দি মুখৰ আচল সৌন্দৰ্যৰ বোধটো এইখিনিতে তীব্ৰতৰ কৰি তোলে । আন এক কথাত যেনে – ৰঙা গাল বুলিলেও হয়, তাকে নুবুলি যদি গোলাপী গাল বুলি গালৰ বৰ্ণনা দিয়া যায়; তেতিয়া সেই গালখনত গোলাপ ফুলৰ সৌন্দৰ্য দুগুণে উপলব্ধি কৰিব

পাৰি। ইয়াত উপমা অলংকাৰে ক'ব খোজা কথাৰ অৰ্থক প্ৰভাৱশালী কৰি তুলি ধৰিব পাৰে। বাক্যত অন্তৰ স্পৰ্শ কৰিব পৰাৰ লগতে অনুভূতিক তীব্ৰতৰ কৰিব পৰা, বৰ্ণনীয় বিষয়ক দৃঢ়ভাবে প্ৰতিষ্ঠিত কৰিব পৰা গুণৰ আধান কৰাটো অৰ্থাৎ চমুকৈ ক'বলৈ গ'লে বাক্যক প্ৰভাৱশালী কৰাটো অলংকাৰৰ প্ৰথম প্ৰয়োজন ।

খ) স্পষ্টীকৰণ : – অলংকাৰৰ দ্বিতীয় প্ৰয়োজন হ'ল স্পষ্টীকৰণ। বিষয়ত গুণ, ৰূপ, ক্ৰিয়া আদি আৰু বিষয়ীগত ভাৱক স্পষ্ট কৰিব লাগিলেও বহুতো ক্ষেত্ৰত অলংকাৰৰ আশ্ৰয় নোলোৱাকৈ নোৱাৰি । উদাহৰণস্বৰূপে , 'বক্ষস্থলে মুকুতাৰ হাৰ' – শ্ৰীকৃষ্ণই বুকুত মুকুতাৰ বুকুত হাৰ পিন্ধিছে – কেৱল এইখিনি মাত্ৰ কৈ থলে মুকুতাৰ হাৰৰ সৌন্দৰ্য আমাৰ মনত অস্ফুট হৈ ৰৈ যায় । কিন্তু যেতিয়া ওপৰৰ বাক্যশাৰীৰ লগত "আকাশী গঙ্গাৰ যেন ধাৰ" বুলি দিয়া হ'ল, তেতিয়াহে যেন 'মুকুতাৰ হাৰ'ৰ আচল সৌন্দৰ্য স্পষ্টৰূপত ফুটি উঠিছে। এয়াই হৈছে স্পষ্টীকৰণ।

গ) ৰমণীয়তা সম্পাদন : – অলংকাৰৰ তৃতীয় আৰু সৰ্বোপৰি প্ৰধান প্ৰয়োজন হ'ল ৰমণীয়তা সম্পাদন। প্ৰভাৱশালীতা আৰু স্পষ্টতা অলংকাৰৰ গৌণ প্ৰয়োজন, চাৰুত্ব বা মনোহাৰিত্বহে মুখ্য প্ৰয়োজন । ৰসবাদী আচাৰ্য সকলৰ মতে, ৰসোপকৰতাই অলংকাৰৰ মুখ্য প্ৰয়োজন। পৰিশেষ বিচাৰত অৱশ্যে কথা দুয়োটাই নি একে ঠাইকে পোৱায়গৈ । কাব্যালংকাৰে বুদ্ধিৰ উপৰিও কল্পনাক জাগ্ৰত কৰি ভাবত মাধুৰ্য সানে । 'টেকেলি কলহৰ নিচিনা বস্তু' – ইয়াত সাদৃশ্য আছে, উপমান উপমেয় সমান ধৰ্ম আদিও আছে যদিও তথাপি ই উপমা অলংকাৰ নাম পাবৰ বাবে যোগ্য নহয় । ইয়াত সাদৃশ্যহে আছে মনোহাৰিত্ব নাই । কিন্তু, 'নীল পদুমৰ নিচিনা চকু' – ইয়াত যি সাদৃশ্য সেয়া মনোৰম সাদৃশ্য । চকুৰ সৌন্দৰ্য ফুটাই তুলি ই মনত এটা মনোহাৰিণী অৱস্থিতিৰ উদ্ভৱ কৰাইছে। এনেদৰে জুখি চালে বহুতো অলংকাৰকে প্ৰকৃত কাব্যলংকাৰৰ শাৰীত ঠাই দিবলৈ ইতস্তভঃ কৰিবলগীয়া হয় । তথাপি ৰমণীয়তা সম্পাদন কাব্যালংকাৰৰ মুখ্য প্ৰয়োজন বুলি স্বীকাৰ নকৰিলে অলংকাৰৰ গৌৰৱ ক্ষুণ্ণ হোৱাৰ আশংকা থাকে ।

গতিকে ক'ব পাৰি, "অলংকাৰে কাব্যত মনোৰম সৌন্দৰ্য দান কৰে । কাব্যৰ দিশত বিচিত্ৰ মাধুৰ্যতা উপলব্ধি কৰাত অলংকাৰ অতিশয় প্ৰয়োজন আছে; কাৰণ অলংকাৰে সাহিত্যক ব্যঞ্জনাময় কৰি তোলে। কোনো সাহিত্যৰ ৰচনা লাৱণ্যময় হোৱাৰ মূলতে হ'ল অলংকাৰ । "

অলংকাৰ হৈছে এক কথাত সৌন্দৰ্যৰ দিশত এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। যিকোনো ৰচনাশৈলীত অলংকাৰে সোণত সোৱগা চৰোৱাৰ দৰে কাম কৰে । অলংকাৰ অবিহনে সাহিত্য যেন আধৰুৱা হৈয়ে ৰ'ব। অলংকাৰক বাদ দি সাহিত্যৰ ৰস আস্বাদন কৰাৰ কথাও ক'ব নোৱাৰি। গতিকে, অলংকাৰক সাহিত্যৰ দিশত এক অবিচ্ছেদ্য অংগ হিচাপে ক'ব পাৰি ।

## সহায়ক গ্ৰন্থপঞ্জী

১। "সাহিত্য বিদ্যা পৰিক্ৰমা" – শৰ্মা, তীৰ্থনাথ, বাণী প্ৰকাশন

২। "ছন্দ আৰু অলংকাৰ" – ডেকা, ধৰ্ম্মসিংহ, অসম বুক ডিপো

________________€________________